# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আলোচনী

ত্ৰয়োবিংশতিতম সংখ্যা, ২০২০-২১ বৰ্ষ

# Tyagbir Hem Baruah College Annual Magazine

23rd Issue, Session 2020-21



তত্ত্বাৱধায়ক ঃ ড° খঞ্জন কুমাৰ দাস
ড° ৰাস্না ৰাজখোৱা

সম্পাদিকা ঃ কাঞ্চন ছেত্ৰী



# অধ্যক্ষৰ মেজৰ পৰা...

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন এই বছৰ যথেষ্ট প্ৰত্যাহ্বানৰ মাজেৰে প্ৰকাশ কৰিব খোজা হৈছে। কভিড কালীন অৱস্থাত ছাত্ৰ-ছাত্ৰীসকলৰ লগত প্ৰত্যক্ষ যোগাযোগৰ ব্যৱধান বাঢ়ি যোৱাত তেওঁলোকৰ চিন্তা-চেতনাৰ উমান পোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ মাজতো মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ-কৰ্মচাৰীসকলৰ বহুজনে আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ কৰাৰ বাবে প্ৰচেষ্টা চলাইছে। পৰীক্ষা, ফলাফল, পাঠ্যক্ৰমৰ নানান ধৰণৰ সমস্যাৰে ভাৰাক্ৰান্ত ছাত্ৰ সমাজে কেতিয়াবা লেখা এটি দিবলৈও মানসিক ভাৱে দ্বিধাগ্ৰস্ত হৈছে। এহাতেদি পাঠ্যক্ৰম অনুযায়ী পৰীক্ষা সমাপ্ত নোহোৱা চিন্তা আৰু অন্যহাতেদি পৰীক্ষা দি বাঞ্ছিত ফলাফল সময়ত নোপোৱাৰ হতাশাই এনে দ্বিধাগ্ৰস্ততাৰ অন্যতম কাৰণ। ইয়াৰ মাজতে কভিড অতিমাৰীয়ে সমগ্ৰ সমাজক গ্ৰাস কৰি অহাৰ যি ব্যৱস্থা তাৰ পৰা আমাৰ শিক্ষৰ্থীসকলো মুক্ত নহয়। এনে অৱস্থাৰ মাজতো যি সকলে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত নিজৰ চিন্তাৰ প্ৰমাণ দাঙি ধৰিব খুজিছে তেওঁলোক ধন্যবাদৰ পাত্ৰ। যোৱা বছৰত কভিড পৰিস্থিতিৰ বাবে নিয়মীয়া পাঠদানকে ধৰি বিভিন্ন ক্ষেত্ৰত অসুবিধা হোৱা সত্বেও ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় সহায়-সহযোগিতাৰে মহাবিদ্যালয়খনক গতিশীল কৰি ৰখাত যৎপৰোনাস্তি সহায় আগবঢ়াইছে। ছাত্ৰ-ছাত্ৰীসকলৰ এনে উদ্যমৰ শলাগ লৈছো। কভিড কালীন পৰিস্থিতি সদায় একেদৰে নাথাকে। আশা কৰিছো, অহা দিনবোৰত এনে পৰিস্থিতিৰ অৱসান ঘটিব আৰু পুনৰ স্বাভাৱিক সময়বোৰ আমাৰ মাজলৈ উলটি আহিব।

পাৰহৈ যোৱা কভিড কালীন সময়খিনিতে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° সদানন্দ হাজৰিকা, ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভবেন্দ্ৰ কুমাৰ বৰা, পুথিভঁৰালৰ কৰ্মচাৰী ভবানন্দ বৰা, কাৰ্যালয়ৰ সহায়ক প্ৰবীণ ৰয়কে ধৰি একাধিক শিক্ষাৰ্থীক আমি চিৰদিনৰ বাবে হেৰুৱালো। তেখেতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিছো।

ছাত্ৰ একতা সভাৰ সদস্যসকলৰ উৎসাহ, উদ্দীপনা আলোচনী এখন প্ৰকাশৰ ক্ষেত্ৰত সদায় ইতিবাচক হৈ থাকক... এই আশাৰে-

ড° অজিত হাজৰিকা
অধ্যক্ষ
ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়

# অসমৰ চাহ-জনগোষ্ঠী ঃ একতাৰ সংস্কৃতি

**ৰাজেশ হেমৰম**
৬ষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ



অসম এখন বিভিন্ন জাতি-জনগোষ্ঠী, ধৰ্ম-সম্প্ৰদায়ৰে ঢাক খাই থকা ৰাজ্য। বিভিন্ন জনগোষ্ঠী ইয়াতে গঢ়ি উঠিছে। বাৰশ খ্ৰীষ্টাব্দত আহোমসকলৰ আগমন হোৱাৰ লগে লগে অসমত প্ৰব্ৰজন কাৰী জনগোষ্ঠীৰ ইতিহাসৰ কথা ক'ব পাৰি। তাৰ আগে পাছেই বা সেই সময়তেই কোচ ৰাজত্বও চলিছিল অসমৰ পশ্চিম অংশত। আহোমসকলৰ আগমনৰ লগতে বা তাৰ ঠিক আগে পাছেই নেপালীসকল অসমলৈ আহে। বংগৰ মোগলে আহোমৰ লগত যুদ্ধ কৰি যুদ্ধ বন্দী হোৱা এচাম মোগল সৈন্যও এটা সময়ত অসমৰ ছোৱালীক বিবাহ কৰি অসমতে নিগাজিকৈ থাকিবলৈ লয়। সেই আহোম শাসনৰ দিনতে মানৰ আক্ৰমণত অসমীয়া ত্ৰাসমান হৈ বংগৰ ব্ৰিটিছক সহায় বিচাৰি ইংৰাজক আমন্ত্ৰণ জনায়। ব্ৰিটিছে অসমীয়াৰ দুৰ্বলতাৰ সুযোগ লৈ শাসনৰ বাঘজৰীডাল ধৰে। শাসনৰ পিছতে অসমৰ জনসাধাৰণক শাসন কৰিবলৈ বংগৰ পৰা পুনৰ বঙালীসকলক ব্ৰিটিছে অসমলৈ আনিলে। অসমত লাভজনক সুবিধাৰ উমান পাই বংগৰ বঙালীসকল অসমতে ঘৰ-বাৰী সাজি থাকিবলৈ ল'লে।

১৮২৬ খ্ৰীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ মাধ্যমেৰে ব্ৰিটিছে অসমখনত চিৰদিন শাসনৰ মনস্থঃ কৰি নানা অফিচ কাছাৰী ব্যৱসায় বাণিজ্যৰ কাম আৰম্ভ কৰিলে। সেই সময়তে ব্ৰিটিছে অসমৰ ভূমিত চাহৰ খেতি আৰম্ভ কৰিলে। চাহ বাগিচাত কাম কৰিবলৈ অসমীয়া লোকক বাধ্য কৰাব নোৱাৰি বংগ, বিহাৰ, উৎকলৰ পৰা প্ৰাচীন আদিবাসীসকলক অসমলৈ আনে। খাটি খোৱা এই মজদুৰ আদিবাসীসকলে ব্ৰিটিছৰ শাসন ভাৰ সহ্য কৰিব নোৱাৰি ব্ৰিটিছৰ কথামতেই অসমলৈ আহে আৰু ব্ৰিটিছে আৰম্ভ কৰা চাহ খেতিত

শ্রমদান কৰে। এই যে ব্ৰিটিছৰ চাহ বাগিচাৰ কামত আদিবাসীসকল অসমলৈ আহিল তেওঁলোকে নিজৰ লগত পৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতি ভাষ-সংস্কৃতিকো লগত লৈ আনিলে। পৰৱৰ্তী সময়ত সেই লগত অহা ৰীতি-নীতিতো পৰিৱৰ্তন ঘটি অসমৰ বায়ু-পানীৰ যি সংস্কৃতি সেই সংস্কৃতিক আঁকোৱালি ল'লে। ব্ৰিটিছৰ লগত আদিবাসীসকলৰ ভিতৰত -উড়িয়া, চাওতাল, ভূমিজ, কুৰ্মী মুণ্ডা, খাড়িয়া, নায়ক আদি সৰু বৃহৎ জাতি উপজাতি লগত আহে। যদিও তেওঁলোকৰ এই সৰু বৃহৎ জাতিবোৰৰ ধৰ্মীয় ৰীতি-নীতি পৃথক তথাপি তেওঁলোক অসমলৈ চাহ বাগিচাত কৰ্ম কৰাৰ উদ্দেশ্যে আহে। সেয়ে পৰৱৰ্তী সময়ত অসমত তেওঁলোকক চাহ জনগোষ্ঠী বুলিয়ে কোৱা হৈছে। সেই মতেই তেওঁলোকৰ মাজত থকা ঐক্যৰ যি প্ৰতীক তাক চাহ-জনগোষ্ঠী শব্দটোৱেই সুচায়। গতিকে অসমৰ মাতৃভূমিত কাম কৰাৰ উদ্দেশ্যে আহিছে যদিও নিজৰ পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-আলোচনা, খাদ্য-শৃংখল আদিতো অসমীয়া সমাজ জীৱনৰ লগত মিলিত হৈছে।

অসমত আহি চাহ বাগিচাৰ মাজত থাকিলেও তেওঁলোকে লৈ অহা লোককৃষ্টি সমূহৰ দ্বাৰা মন প্ৰফুল্লিত কৰি ৰাখে। ব্ৰিটিছৰ অতিসহ্যৰ পিছতো মনত তেওঁলোকে উৎসৱ, পূজা-পাৰ্বণৰ যি পৰম্পৰা তাক বৰ্তাই ৰাখিছিল, এই উৎসৱ পাৰ্বণৰ মাজেদি কৰ্মস্পৃহাক উদগনি দিছিল। এই কৃষ্টি-সংস্কৃতিৰ ভিতৰত কৰম, চহৰাই, চাক্ৰাত, টুচু, কাঠীখেল আদি উৎসৱ চাহ-জনগোষ্ঠীৰ মাজত প্ৰচলিত। শস্য ৰোপণ কৰি উঠি যি আনন্দ লাগে তাত অসমৰ প্ৰায়ভাগ জনগোষ্ঠীয়েই নানা উৎসৱ উদ্‌যাপন কৰে। কোনোবাই ভিতৰ সকাম, কোনোবাই আকৌ ভাওনা সকাম, কোনোবাই আকৌ বিভিন্ন পূজা পাতল অনুষ্ঠিত কৰি খেতিৰ মঙ্গল কামনা কৰে, তেনেকৈয়ে চাহ বাগিচাৰ মাজত কৰম ৰাজাৰ "কৰম পূজা" অনুষ্ঠিত হয়। এই কৰম পূজাৰ জৰিয়তে জনগোষ্ঠীটোৱে খেতিৰ সুমঙ্গল প্ৰাৰ্থনা কৰে। ভাদ মাহৰ একাদশী তিথিত কৰম পূজাৰ আয়োজন কৰে। পূজাৰ স্থলিত পূজা আৰম্ভ হোৱা এসপ্তাহৰ আগত নদীৰ বালি তুলি খেতিৰ বাবে যেনেকৈ কঠীয়া সিঁচে, তেনেকৈয়ে পাচিত বালি তুলি তাত বুটমাহ, মগুমাহ আৰু ধান বীজ হিচাপে ৰোপণ কৰে। এসপ্তাহ পূৰ্ণ হোৱাত সেই বীজখিনিক পূজাৰ স্থলিলৈ আনে। এই বীজ কৰিব এজন কৰম ডালধৰিয়া আৰু সাতগৰাকী "কৰমতীয়ে"। বীজ ৰোপণ কৰা "ডাল ধৰিয়া" আৰু কৰমতীয়ে সাত দিনলৈ বুলি ব্ৰত পালন কৰিব। আহাৰত ফলাহাৰ খাদ্য পানী গৰম কৰি নাখায়, মূৰৰ চুলি নাচোঁৰে এনেকৈ সাতদিনলৈ থাকিব। সাতদিনৰ দিনা সন্ধ্যালৈ কৰম পূজাৰ আৰম্ভ হ'ব। পূজাৰ বেদীত বীজৰ গাজখিনি ৰাখিব আৰু কৰম গছ (মৰুৱা) ডাল এটি আনি মণ্ডপৰ সোঁমাজতে পুতিব। তাৰ কাষে কাষে কৰ্মতী কেইগৰাকী বহিব পূজাৰ পাদ্য-অৰ্ঘ, নৈবেদ্য লৈ। এজন কাহিনীকাৰ থাকিব, যিজনে কৰম পূজাৰ পৌৰাণিক নীতি তথা যি পৰম্পৰা জড়িত তাক কাহিনী আকাৰে কাহিনীকাৰ জনে ব্যাখ্যা কৰিব। এই কাহিনীভাগ শুনাৰ পিছতে নিয়মানুযায়ী পূজা-পাতল সম্পন্ন কৰিব। পূজা শেষ হোৱাৰ পিছত গাঁৱৰ জীয়ৰী-বোৱাৰী পুৰুষ মহিলা উভয়ে মাদলৰ চেঁৱে চেঁৱে নৃত্য কৰিব।

ভাদৰ আসিন মাসে কাশি ফুল ফুটিল।
মৰ চজনীকে ৰিঝ ৰং সৰে লাগিল।।
আদা বাৰী কাদা হইল বাইগন বাড়ি ভাচ্‌গেল
ভালৰে বাইগন বাড়ি
বাগিন বেচে লিব ৰেডম চাড়ি।।

এনে ধৰণে গীত জুৰি কৰম থলীৰ কেওকাষে ঘূৰি ঘূৰি নাচি আনন্দ ফূৰ্তি কৰি কৃষকৰ সুমঙ্গল প্ৰাৰ্থনা কৰে। নানা বিবাদৰ মাজতো পালন কৰি অহা এই কৰম পূজাভাগ বৰ্তমানলৈকেও ভাল ভাৱেই পালন কৰি আহিছে। সময়ৰ পৰিপেক্ষিত গীত-নৃত্যৰ সাধাৰণ পৰিৱৰ্তন হ'লেও কৰম পূজাৰ মূল নিয়মাৱলী আগৰ দৰেই আছে। গোটেই ৰাতি কৰম ডালৰ কাষে কাষে নৃত্য কৰাৰ পিছত সেই কৰম ৰজাই যি কৃপা দৃষ্টি প্ৰদান কৰি বীজ ৰোপণত সহায় কৰিলে তাৰ বাবে চাহ বাগিচাৰ এই লোক সকলে কৰ্মৰ দেৱতা জনক নদীৰ নৌকা যাত্ৰাৰ বাবে বিদায় দিব। কৰ্মৰ দেৱতাজনে নদীৰ মাধ্যমেদি নিজৰ স্থানত গতি কৰিব আৰু প্ৰয়োজন সাপেক্ষে পুনৰ এই ধৰালৈ উভতি আহাৰ লোক বিশ্বাস আছে। এই কৰম নামৰ ৰজাজনক বিদায় দিওঁতে ডেকা-গাভৰু সকলে গাব-

আজ ৰে কৰম ৰাজা ঘৰে দুৱাৰে।
কাল ৰে কৰম ৰাজা সাত নদীৰ পাৰে।।

আকৌ বাটত যোৱা ডেকা-গাভৰুৰ মাজতো ধেমেলীয়া সুৰৰে গীত জুৰি গায়-

আঘু আঘু ভুলা কুকুৰ দড়ে দড়ে যায়
পিছে দেখে বুলি কুকুৰ হাসে হাসে যায়।।

এনেকৈ নানা গীত মাতেৰে কৰম ৰজাক ধন্যবাদ সূচক আনন্দেৰে বিদায় দিয়ে। স্থান কাল ভেদে হয়তো গীত মাত আদিৰ কৰম পূজাৰ পৌৰাণিক গীত মাতৰ লগত নিমিলে; তথাপি মূল কথাবোৰ বৰ্তমানেও শিলৰ ৰেখা যেনেই আছে। অসমৰ বাবে ৰহনীয়া সংস্কৃতিত এই উৎসৱে এক ৰহণসনা সৌন্দৰ্যতা বহন কৰে। যিটো সময়ত অসমীয়াই খেতি সামৰাৰ পাছত নাওল ধোৱা সবাহ, ভিতৰ সকাম আদি অনুষ্ঠিত কৰে, শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ গুৰু দুজনাৰ অমূল্য সৃষ্টি ভাওনাৰে নামঘৰ মুখৰিত হৈ থাকে তেতিয়াই চাহ-বাগিচাৰ মাজে মাজে মাদলৰ শব্দই নিজান ৰাতিক আনন্দিত কৰি তোলে।

অসম যিহেতু কৃষি প্ৰধান ৰাজ্য। সেয়ে ইয়াৰ অনুষ্ঠান সমূহ কৃষি ভিত্তিতে অনুষ্ঠিত হয়। চাহ বাগিচাত বাস কৰা জনগোষ্ঠীটোৱেও কৃষিক কেন্দ্ৰ কৰিয়ে উৎসৱ অনুষ্ঠান পালন কৰে। খেতি পথাৰত যেতিয়া সোণোৱালী শইচ ভৰি কৃষক ৰাইজে তেতিয়া সোণগুটিবোৰ সামৰিব লয়। এই সোণগুটি চপাই অনাৰ পিছত যেনেকৈ মাঘৰ বিহুত সকলোৱে আনন্দৰে এসাজ ভোজ ভাত খায়, তেনেকৈ চাহ জনগোষ্ঠীলোকৰ মাজত আৰম্ভ হয় "টুচু পূজা"। টুচু পূজাত লখিমী আইক ঘৰত সাদৰাৰ নিমিত্তে লক্ষ্মীপূজাৰ আয়োজন কৰে। চাহ-জনগোষ্ঠীয় লোকে এই লক্ষ্মী আইক টুচু বুলি কয়। টুচুদেৱীৰ প্ৰতিমূৰ্তি এটিৰ আগত নানা পূজাৰ সামগ্ৰীৰ লগতে পিঠা-পনা সকলো উৎসৰ্গা কৰে। পূজা সমাপন হোৱাৰ পিছত ডেকা-গাভৰু, পুৰুষ মহিলা আদিয়ে মিলি আনন্দেৰে টুচু নৃত্য কৰিব লয়। টুচু নৃত্যত তেওঁলোকে গায়-

টুচু আইল খেলে খেলে
লে টুচুৰ মাই লে কলে।
হামদেৰ টুচু খেলবেক হাঁচবেক
ৰিসে ৰঙ্গে চলিবেক।।
আকৌ এনেদৰেও গাইছে—
কি পাতাব কি পাতাব গৌ
ফুলকে হামি কি দিব
সোণাৰঙ্গেৰ শাড়ী গৌ শাড়ী
ফুল কেহামি সে দিব।

ফুল অৰ্থাৎ সখীক। যি জীৱন সংগিনী হ'ব সেই গৰাকীক সোণালী ৰঙৰ শাড়ী দিয়াৰ প্ৰতিশ্ৰুতি দিছে। ঠিক তেনেদৰে ডেকা-গাভৰুসকলৰ মাজত এনেদৰে গাইছে-

আলি আলি মইনা চলে
মইনা কিচু বলেনা
মইনাৰ মনে কিছু আছে
খুলা কথা বলে না।।
ৰস ৰঙ্গ ভালা টুচুৰ কাপড় গাবাব।

এনেকৈ ৰঙালী বিহুত যেনেকৈ বসন্তৰ পৰশত অসমীয়া ডেকা-গাভৰু উত্ৰাৱল হৈ ৰং ধেমালি কৰে ঠিক তেনেকৈয়ে টুচু পূজাত সাত দিন পৰ্যন্ত চাহ-জনগোষ্ঠীৰ ডেকা-গাভৰু বিলাকে ৰং ধেমালিৰে টুচু পূজা উদ্‌যাপন কৰে।

শ্ৰীকৃষ্ণৰ লীলা বিষয়ক এক উৎসৱ হ'ল ফাকুৱা উৎসৱ। অসমত দৌল উৎসৱ হিচাপে পালন কৰে। সত্ৰত বা দৌল সমূহত শ্ৰীকৃষ্ণৰ গুণানুকীৰ্ত্তন কৰে অসমীয়া লোকসকলে। এই ৰঙৰ উৎসৱ ফাকুৱাতে চাহ-জনগোষ্ঠীয় লোক সকলে "কাঠি খেল" উৎসৱ পালন কৰে। বৃন্দাবনত যেনেকৈ শ্ৰীকৃষ্ণ গোপীসকলৰ লগত কাঠী নৃত্য কৰিছিল তেনেদৰেই এই জনগোষ্ঠীটোৱেও মাদল কৰতাল, বাঁহীৰ ধ্বনিৰে কাঠী খেল খেলি ৰঙত বিভোৰ হয়। গীতত তেওঁলোকে গাইছে-

কত যে খেলিব কত যে নাচিব
আংগিনাত ধূলা উড়ি যায়।
নাৰে ভাই আংগিনাত ধূলা উড়ি যায়।
ৰঙ্গ যে লাগিল ৰচ যে লাগিল
আৰে ভাই আংগিনাত ধূলা উড়ি যায়।।

বসন্তৰ আগমনৰ লগে লগে শুকান গছবোৰত বৰদৈচিলাৰ বৰষুণে জীপাল কৰাত ধৰণী ফুলে পাতে জাতিস্কাৰ হৈ পৰে। তেতিয়াই এই জনগোষ্ঠীটোৱে এটা ঠেঙুলিৰে "বাহাবঙা" বা "জাহেৰ বঙা" অনুষ্ঠিত কৰে। এই পূজা চাওতাল সকলে আৰু ওৰাং সকলে কৰে। বাহা অৰ্থাৎ ফুল। বসন্তকালীন বিৰোৰ প্ৰকৃতিত ফুল ফুলে, সেই ফুলবোৰক লৈ ওৰাং আৰু চাওঁতাল সকলে পূজা আৰম্ভ কৰে। নানা ফুলৰ সুবাস পূজা শেষ নোহোৱা পৰ্যন্ত নলয়। অৰ্থাৎ সেই ফুলবোৰক ব্যৱহাৰ নকৰে।

এনেদৰে বিভিন্ন সময়ত চাহজনগোষ্ঠীৰ লোকসকলে কালি পূজা, দুৰ্গা পূজা, লক্ষ্মী পূজা, বিহু সংক্ৰান্তিত পূজা-পাতল কৰি জনগোষ্ঠীয় ৰীতি-নীতি পৰম্পৰাক ধৰি ৰাখিবলৈ চেষ্টা কৰিছে। অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত বসতি স্থাপন কৰা এই গোষ্ঠীটোৱে পূৰ্বৰ ভাষাৰ ক্ষেত্ৰতো পৰিবৰ্তন ঘটাই নতুনত্বক গ্ৰহণ কৰিছে। পূৰ্বতে ভঙ্গীয় আনুসংগিক ভাষাক পৰিহাৰ কৰি অসমীয়ামূলৰ শব্দ ব্যৱহাৰ কৰিব লৈছে। শিক্ষিতৰ সংখ্যাও জনগোষ্ঠীটোৰ বৃদ্ধি পাইছে ফলত তেওঁলোকৰ অন্ধবিশ্বাস জনিত পৰম্পৰাসমূহ প্ৰায় নিষ্কাষণ হৈছে।

প্ৰায়বোৰ জনগোষ্ঠীৰে ভৰপূৰ এই অসমখনত ঐক্যতাই মূল মন্ত্ৰ হিচাপে পৰিগণিত হৈছে। সেয়ে অসমৰ বিশেষ জনগোষ্ঠী চাহ জনগোষ্ঠীৰ মাজতো অসম অসমীয়াৰ মাজত হাড়ে হিমজুৱে মিলিত হৈ ঐক্যতাৰ জৰিডাল মজবুত কৰি তুলিছে। সময়ত নানা প্ৰলোভন আৰু মিথ্যাচাৰে অনগ্ৰসৰ তথা অৰ্ধ শিক্ষিত জনগোষ্ঠীটোক ঠগাৰ যি প্ৰয়োভৰ সেয়াই বিচলিত কৰিব পৰা নাই। গতিকে জনগোষ্ঠীটোৰ মিলনত যি ঐক্যতা সেয়া সদায় সৰল হৈ আছে। প্ৰতিটো খোজতে মিলিত হোৱা বা মিশ্ৰণ হোৱাটো এক ধনাত্মক দিশ জনগোষ্ঠীটোৰ। ■

# আমি অৰ্থনীতি বিজ্ঞান কিয় পঢ়া উচিত?

**ৰূপম তালুকদাৰ**
সহকাৰী অধ্যাপক
অৰ্থনীতি বিজ্ঞান বিভাগ

গোলকীকৰণে গোটেই পৃথিৱীখনকে সৰু কৰি পেলাইছে। আজিৰ দিনত এটি তত্ব গধুৰ স্থানীয় চিন্তাই গোটেই পৃথিৱীখন চুই যাবলৈ সক্ষম হৈছে। মোবাইল ফোন আৰু ইন্টাৰনেটৰ আবিষ্কাৰে এই গোলকীকৰণৰ ধাৰণাটোক ইমানেই বাস্তৱায়িত কৰিলে যে পূৰ্বতে বিশ্বৰ দেশ সমূহৰ মাজত থকা ৰাজনৈতিক মতভেদ, যুদ্ধ সদৃশ পৰিবেশবোৰ অৰ্থনৈতিক দিশলৈ ৰূপান্তৰিত কৰিলে। আজি কালি আমি এখন দেশৰ ৰাজনৈতিক ক্ষমতাতকৈ অৰ্থনৈতিক ক্ষমতাক বেছি গুৰুত্ব দিওঁ। বিশ্বমানৰত যিমানবোৰ দেশে এতিয়া প্ৰকোপ চলাই আছে আটাইবোৰ দেশ অৰ্থনৈতিক ভাবে ইমানেই স্বচ্ছল যে তেওঁলোকৰ শাসন ব্যৱস্থা সম্পূৰ্ণভাবে অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে আমি আজিকালি Economic Super power"ৰ কথা কওঁ।

গোলকীকৰণৰ আগতে এখন দেশত উৎপাদিত হোৱা বস্তু বা সেৱাবোৰ সেইখন দেশতে সীমাবদ্ধ আছিল যাৰ ফলত লেনদেনৰ কাৰ্য যথেষ্ট সীমিত আছিল। তাৰফল স্বৰূপে দেশখনক বেছি লাভান্বিত কৰা নাছিল বা আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত সেই দেশখনৰ ইমান চৰ্চাও নাছিল। কিন্তু লাহে লাগে যেতিয়া দেশবোৰে অনুভৱ কৰিলে যে এখন দেশ তেতিয়াহে শক্তিশালী হ'ব যেতিয়া তেওঁলোকৰ তাত উৎপাদিত হোৱা সামগ্ৰীবোৰ গোটেই বিশ্বতে উপলব্ধ কৰাব পৰা যাব। ইয়াৰ বাবেই দেশবোৰে লাহে লাহে সেইবোৰ যাতে অতি কম খৰচত বেলেগ দেশত উপলব্ধ কৰাব পাৰে তাৰ বাবে "আন্তৰাষ্ট্ৰীয় কৰ" কমাই দিলে বা শূন্য কৰি দিলে। তেনেকৈয়ে উদ্যোগীকৰণৰ ধাৰণাটোও গোটেই বিশ্বতে বিয়পি পৰিল। দেশখনৰ অৰ্থনীতি ব্যৱস্থাটো দেশখনৰ বাবে এটি সৰঞ্জাম হৈ পৰিল। ইয়াৰ ফলত এখন দেশৰ লগত আন এখন দেশৰ সম্পৰ্ক ভাল হৈ পৰিল আৰু ডাঙৰ ডাঙৰ বহুজাতিক প্ৰতিষ্ঠানবোৰ গোটেই দেশবোৰত বিয়পি পৰিল। মুঠৰ ওপৰত ক'বলৈ গ'লে দেশখনৰ অৰ্থনীতিটোৱেই দেশখনৰ পৰিচয়ৰ এক মেৰুদণ্ডিক মাপকাঠি হৈ পৰিল। এতিয়া কথাটো হ'ল এইবোৰ আমাৰ সাধাৰণ মানুহৰ বাবে সাধুকথা যেন লাগিলেও কিন্তু বাস্তৱ জগতখনত সেয়াই চলি আছে আৰু এজন সচেতন ছাত্ৰ বা নাগৰিক হিচাপে কিন্তু এইবোৰ বিষয়বস্তু জনাটো খুবেই দৰকাৰ। এইবোৰ বিষয়বস্তু সামৰি এটা বিষয় আছে যিটো হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰি উচ্চতৰ মাধ্যমিকত নাম ভৰ্ত্তি কৰিলে পঢ়িব পৰা যায় আৰু পৰ্য্যায়ক্ৰমে স্নাতক, স্নাতকোত্তৰ বা তাতকৈয়ো উচ্চ পৰ্য্যায়ৰ শিক্ষা অথনীতি বিজ্ঞানত গ্ৰহণ কৰিব পৰা যায়। বাকী বিষয়বোৰৰ দৰেই অৰ্থনীতি বিজ্ঞানো পঢ়িব পাৰি যদিও ইয়াৰ পৰিসীমা বাকী বিষয়বোৰৰ দৰে স্থিৰ নহয়। আজিৰ গতিশীল পৃথিৱীয়ে ইয়াৰ পৰিসীমা নিৰ্ধাৰিণ কৰে।

ছাত্ৰ-ছাত্ৰীয়ে অৰ্থনীতি বিজ্ঞান পঢ়িব নিবিচৰাৰ এক কাৰণ হৈছে অৰ্থনীতি বিষয়ত সন্নিবিষ্ট গাণিতিক অধ্যায়ৰ প্ৰতি থকা ভয় যাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে অৰ্থনীতি বিষয়টো নিৰ্বাচন নকৰে বা কৰিলেও ইয়াক এলাগি কৰি শেষ বিষয়ৰ মৰ্য্যদা দিয়ে। কিন্তু ছাত্ৰ-ছাত্ৰী সকলে জনা উচিত যে অৰ্থনীতি বিজ্ঞান মানে গণিত নহয়। ইয়াত মাত্ৰ সেইখিনি গণিত ব্যৱহাৰ হয় যিমানখিনি আচলতে এজন অতি সাধাৰণ ছাত্ৰ বা ছাত্ৰীয়েও ভালদৰে অধ্যায়ত মনোনিৱেশ কৰিলে সহজতে সমাধান কৰিব পাৰে বা বুজি পাব

পাৰে। এটা উদাহৰণ দিছো-"২+ ২=?" কিমান হ'ব সেইটো তুমি দুই ধৰণে কব পাৰা- ১. Calcutator ব্যৱহাৰ কৰি অথবা ২. সাধাৰণ জ্ঞান ব্যৱহাৰ কৰি।

এতিয়া কথাটো হ'ল- ওপৰত উল্লেখিত পদ্ধতি দুটাৰ ১নং পদ্ধতিটো অৰ্থাৎ Calcutator ব্যৱহাৰ কৰি উত্তৰ উলিয়ালো বুলিয়েই "২+ ২=?"ৰ ধাৰণাটো কেনেকৈ কঠিন হৈ যাব? অৰ্থনীতি বিজ্ঞানত গণিতৰ ব্যৱহাৰ এনেকুৱাই।

এতিয়া মূল কথালৈ আহো- অৰ্থনীতি বিজ্ঞান পঢ়িলে আমাৰ হাতত থকা বিভিন্ন ধৰণৰ কেৰিয়াৰ কেন্দ্ৰিক কথাবোৰ নক'লে এই লিখনিটো প্ৰকৃত উদ্দেশ্য প্ৰকাশ নহ'ব। অৰ্থনীতি বিজ্ঞানৰ এটা ডিগ্ৰীয়ে ভৱিষ্যতে সেই ছাত্ৰ বা ছাত্ৰীৰ নিয়োজনৰ ক্ষেত্ৰত যথেষ্ট মাত্ৰা প্ৰদান কৰে অৰ্থাৎ অৰ্থনীতি বিজ্ঞানন পঢ়া ছাত্ৰ ছাত্ৰীৰ বাবে কেৰিয়াৰৰ যথেষ্ট দুৱাৰ মুকলি থাকে। বেংকৰ সেৱাৰ পৰা আৰম্ভ কৰি বীমা, স্বাস্থ্য, বাণিজ্য ইত্যাদি বিভিন্ন ক্ষেত্ৰত কিছুমান পদবী একমাত্ৰ অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীৰ বাবে মুকলি থাকে। তেনে কিছুমান পদৱী বা চাকৰিৰ কথা তলত আলোচনা কৰা হ'ল-

১. Academician :-

হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অৰ্থনীতি বিজ্ঞান উচ্চতৰ মাধ্যমিকত বিষয় হিচাপে লৈ সেই বিষয়ত স্নাতক ডিগ্ৰী লাভ কৰিব পাৰি। তাৰ পিছত স্নাতকোত্তৰ ডিগ্ৰী লৈ বৰ্তমান National Testing Agency এ প্ৰতি ছয় মাহৰ মূৰে মূৰে অনুষ্ঠিত কৰা National Eligibility Test" (NET) বা আমাৰ SET Commission এ অনুষ্ঠিত কৰা (প্ৰতি বছৰে) State Eligibility Test" ত উত্তীৰ্ণ হৈ মহাবিদ্যালয় পৰ্য্যায়ত শিক্ষকতাৰ বাবে আবেদন কৰিব পাৰি।

অন্য বিষয়ৰ দৰে অৰ্থনীতি বিজ্ঞানতো ইয়াৰ পিছত B.Ed ডিগ্ৰী লৈ অসম চৰকাৰে আয়োজন কৰা বিশেষ পৰীক্ষাত উত্তীৰ্ণ হৈ স্কুল বা উচ্চতৰ পৰ্য্যায়ত শিক্ষকতা কৰিব পাৰি ।

তাতোকৈয়ো উচ্চশিক্ষা যেনে Phd ৰ বাবে নিজকে নিয়োজিত কৰিব পাৰি। NETপৰীক্ষাত ভাল নম্বৰ লাভ কৰিলে JRF (Junior Research Fellowship) লাভ কৰিব পৰি যাৰ সহায়ত প্ৰতি মাহে Phd কৰাৰ নামত যথেষ্ট ভাট্টা লাভ কৰা যায়। এইবোৰ ডিগ্ৰী লৈ নিজকে আগবঢ়াই নিব পাৰিলে ভৱিষ্যতে নিয়োগৰ ক্ষেত্ৰত চিন্তা কৰিব লগীয়া কথা একোৱেই নাথাকে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হয় যথেষ্ট ধৈৰ্য্য আৰু আত্ম বিশ্বাসৰ।

২. General Competitions

সাধাৰণতে আমি দেখা পোৱা Competitive Exam বোৰৰ ক্ষেত্ৰত অৰ্থনীতি বিজ্ঞান বিষয়টো ইমানেই খাপখোৱা বিধৰ হয় যে বেছি ভাগ তেনে পৰীক্ষাতেই এই বিষয়ৰ পৰা যথেষ্ট প্ৰশ্নৰ মুখামুখি হোৱা দেখা যায়। ইয়াৰ উপৰিও কিছুমান Competitive Exam এনেকুৱাও আছে য'ত কেৱল অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীৰ বাবেহে মুকলি থাকে, যাৰ বাবে অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীয়েহে এইবোৰ পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰাৰ সম্ভাৱনা যথেষ্ট বেছি। যেনে-

(a) Indian Economic Service:-

Union Public Service Commission (UPSC) এ প্ৰতি বছৰে অনুষ্ঠিত কৰা ভাৰতীয় অৰ্থনৈতিক সেৱা (IES) হৈছে এটি অতি উচ্চ পৰ্য্যায়ৰ য'ত কেৱল অৰ্থনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ ছাত্ৰ ছাত্ৰীয়েহে আবেদন কৰিব পাৰে। প্ৰতি বছৰে সাধাৰণতে এপ্ৰিল মাহত এই পৰীক্ষাৰ বিজ্ঞাপন প্ৰকাশ পায়। এই পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰিলে ভাৰত চৰকাৰৰ বিভিন্ন বিভাগত অৰ্থনৈতিক পৰামৰ্শ দাতা হিচাপে কাম কৰিব পাৰি। যেনে- NITI AYOG, NSSO এইবোৰ ব্যক্তিয়ে প্ৰত্যক্ষভাবে ভাৰতীয় অৰ্থনীতিৰ Policy Maker হিচাপে কাম কৰে।

(b) RBI Grade B, IBPS, NABARD :-

প্ৰত্যেক বছৰে এই বিভাগবোৰত নিয়োগৰ বাবে বিজ্ঞাপন প্ৰকাশ পায়। এই পৰীক্ষাবোৰ অত্যাধিক প্ৰতিযোগিতামূলক আৰু অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰীৰ বাবে এই পৰীক্ষাবোৰত সফলতা লাভ কৰাৰ সম্ভৱনা যথেষ্ট বেছি কিয়নো প্ৰায়ভাগ প্ৰশ্নই দেশৰ অৰ্থনীতি আৰু অৰ্থনীতিৰ বিভিন্ন তত্বৰ লগত জড়িত। তদুপৰি অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰী সকলে এই পৰীক্ষাবোৰৰ পাঠ্যক্ৰমৰ বেছি ভাগ বিষয় স্নাতক পৰ্য্যায়ত পঢ়ি আহে বাবে তেওঁলোকৰ বাবে পৰীক্ষাবোৰ উজু হৈ পৰে।

(c) Insurance Sector & Share Market & Mutual Fund & Taxation :-

অৰ্থনীতি বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে বীমাখণ্ডৰ চৰকাৰী বেচৰকাৰী বিভিন্ন পদ যেনে বীমা পৰামৰ্শ দাতা, বীমা কৰ্মপন্থা প্ৰস্তুত কৰ্তা আৰু বিভিন্ন উচ্চপৰ্য্যায়ৰ চাকৰিত নিজকে নিয়োজিত কৰিব পাৰি।

ঠিক তেনেদৰে অৰ্থনীতিৰ ডিগ্ৰী লৈ Capital Market, Money Market, Commodity Fund আৰু Mutual

Fund ৰ জ্ঞান লৈ নিজকে "Investment Consultant" হিচাপে নিয়োগ কৰিব পাৰি।

Taxationত ডিপ্লমা লৈ অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰী সকলে Tax Consultant হিচাপে কাম কৰিব পাৰে।

(d) Research Field :-

আজিকালি বিভিন্ন ব্যক্তিগত বা চৰকাৰী খণ্ডত এনেকুৱা কিছুমান ব্যক্তিক নিয়োগ কৰা যায় যিবোৰে সেই অনুষ্ঠানটোৰ "অৰ্থনৈতিক চিন্তা ধাৰক" হিচাপে কাম কৰে। এই কাৰ্যত যথেষ্ট অভিজ্ঞতা আৰু জ্ঞানৰ প্ৰয়োজন হয়। অৰ্থনীতিৰ ছাত্ৰ ছাত্ৰী সকলে এই সুবিধা গ্ৰহণ কৰিব পাৰে। তাৰোপৰি কিছুমান বিশেষ চাকৰি অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ ছাত্ৰী সকলৰ বাবে অতি সহজ হৈ পৰে যেনে- Financial Analyst, Business Analyst, Data Analyst, Senior Financial Analyst, Pricing Analyst, Management Consultant, Business Consultant Staff Accountant ইত্যাদি। এই চাকৰিবোৰ যথেষ্ট Challenging আৰু ব্যক্তিকেন্দ্ৰিক অৰ্থাৎ যিমান কষ্ট কৰা যায় সিমানেই আয়ৰ পৰিসীমা নিৰ্ধাৰিত হয়। ইয়াৰোপৰি এইবোৰ চাকৰিত নিজকে নিয়োজিত কৰিবলৈ বাস্তৱ গতিশীল পৃথিৱীৰ লগত নিজকে তৈয়াৰ কৰিব লাগিব।

এনেকুৱা আৰু বহুত কেৰিয়াৰ অৰ্থনীতি বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে আছে, সকলোবোৰ কোৱাতো এই লিখনিত সম্ভৱ নহয়। গতিকে আমি দেখিলো যে সময়ৰ লগে লগে আজিকালি চাকৰিৰ বাবে দক্ষতা যথেষ্ট পৰিৱৰ্তন হৈ আহিছে। নিজকে Upto date কৰি ৰাখিব লাগিব আৰু নিয়োগকৰ্তাই যেনেকৈ বিচাৰে আমি দক্ষতাবোৰ তেনেকৈ গোটাব লাগিব। আগতেই কৈছো যে অৰ্থনীতি বিজ্ঞান পঢ়া ছাত্ৰ-ছাত্ৰীবোৰৰ বাবে এখন যথেষ্ট বহল বজাৰ আছে আৰু ইয়াৰ লগে লগে ই কিছুমান বিশেষ দক্ষতাও প্ৰদান কৰে যাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলে নিজকে সহজতে নিয়োগ কৰিব পাৰে। ■

# The Galloping Gap…

**Ramesh Dabari**
Associate Professor,
Department of English

That evening I was Just loitering outside my house empty-headed. The mind was almost vacant, devoid of any content, as if it had nothing to think or feel to stir my passive self. All of a sudden I saw a man running at a galloping speed on the road. I didn't think much…. The man may be in a big hurry… Life is like that… Everyone is in his own urgency…' I thought. The next moment… Again I saw another man running impatiently at a full speed Now, something stirred my sense. What may happen? Why he too is running like that? Doubtful question started haunting me.. As I was just wondering to get the reason, I saw another man and then another running in the same way through the same street. Surely, Something happens… something wrong perhaps' I thought. As I came near the road I saw many others running in the same desperate move. Now I could not resist myself. I asked everyone passing near me.. "What happens? Why are you running like that..?" They simply listened to me. Nobody answered my queries. They didn't even try to answer as if they had no time at all. As I looked at them with curious eyes I discovered a sense of unknown curiosity, doubts, fears, frustrations, mysteries, melancholy and a big hollowness in their panic-stricken faces. I was at a loss. What to do and what not. I didn't have any extra moment even to react more… I wanted to think rationally, but could not, Thoughts did not flow to me in arithmetical, straightforward way. Rather, they came haphazardly like those galloping steps on the road… And slowly, my diseased rationality succumbed at last to those frenzied moments, and I too decided to run like them to quench my query…

And so, after few seconds, I too was running constantly with a blank head through that twisted road. People standing beside the road with wonders in their tiny, open eyes started asking the same questions to me as I asked earlier to those running fellows. I simply listened to them, but replied noting. After few moments, as I looked behind, I saw many others running full-bloodedly following my steps. They attempted to reach me perhaps to deconstruct the mystery, but could not. It was because I was at a galloping pace to meet the person running ahead of me for the same reason. And how awful.. ! The more I tried to reach the figure I was following the more he seemed to gallop further and further away from me..!!! ■

# CHILD LABOUR
# Causes and consequences of poverty

Bidisha Sarmah
BA 1st Sem.

Raju, a twelve year old boy is selling fruits in the market.

Rita, is working as maid, in a bussinessman's house.

These are examples that reflects child labour. The word 'Child ;abour refers to the employment of children in any work that deprives them of their childhood, interferes with their ability to attend regular school and that is mentally, physically, socially or morally harmful.

According to economically backward people bigger families meant more carress, so molre money. So, they prefer big families with more children. And the children were sent to work in streets, industries and in different fields. Children in Firozabad working in glass bangle industry are around the age of 11-12 and are poverty tricken. Working in hot furnances with such high temperature may damage their eyes and can lead to lose of eye-sight before stepping into adulthood.

All of the children who are sent to work may not get good environment which affect the child both mentally and pgysically. Due to the unfovourable circumstances they somefincs learn to do some unsocial work like stealing, robbery etc. Sometimes the influence of society takes them to the state of drugs and alcohol. Normally in ...illiterate society, sons are sent to schools but the scenerio of girls are opposite. They hane to work in homes and take care of their family. Their parents think that sending girls to school is a meaningless expendikture and also an extra-burden to them. Rita, who has been serving as a maid in the bussinessman's house have to take more pressure according to her age. She also takes care of children equal her age. Her master's daughter goes to school but Rita carrot. Right to education according to the article 21 provides free and compulsory education to the children of age of six to fourtean years.

"Child is meant to learn, Not to earn."

It is the duty of every citizen of India to remove child labour.

"Child's hands are too small to work; they look good holding a pencil." ■

# Nature : the protector of humankind

Jahnavee Borah
B.A. 3rd sem.

Ever since your birth, are you aware of the changes that the earth has gone through? Yes, this is not the earth that we used to know in our childhood. Also, it'll never be the same in future. The earth changed a lot in the long run. All these changes have taken place due to the increasing need for development. But in order to ensure development, a lot of forest cover must be cleared per day, in order to carry on developmental projects. We see, a lot of trees are being cut down every day, which ultimately means that the nature is being degraded day by day. I agree that development is important, but it should be established in such a way that no harm is caused to our mother nature. In fact, none of us can deny the fact that we, the humans are ourselves the sole reason for the degradation of nature. Yes, for the sake of development, human must cause a little disturbance to the existing eco-system, but is often seen that activities of human beings degrade the nature, but they do nothing to conserve it. In the name of development, we see that the concrete world is slowly taking over the natural environment. Clearing of forests for the purpose of development is important, but protection of the nature is equally important. The only thing for which we are able to breath, is nature, its trees, which provide us oxygen, food, shelter, clothes and several other resources. The only reason that we are alive today is nature, we should never be a reason for its degradation. We should always be aware of the duties we oblige towards nature. If we continuously let it degrade, everything will be destroyed one day and nothing would be able to save humanity from collapsing.

It's not too late, lot's come forward and conserve the resources of mother nature. It's now or never. Let's step forward and plant trees, not only on 5th June, but any day, anywhere. Let's not disappoint the nature, let's not exploit its resources, let's not let humanity collapse. Let's get ready for a better future. Let's be prepared for the purpose of conserving the nature. Best of luck to ourselves. ■

# Brushes that stayed behind

**Barbirani Kataki**
**B.A 6th Semester**

I found some leftover brushes near
The window of my new apartment.
There was a lone palette lying beside
Them. Some brushes were used some
Looked fresh. Does they behold the
Trace of a painter?
What did he paint?
People nature emotions landscapes
What?
How many?
Does the brushes know what they
Were used for
The used brushes must be proud.
Are the unused ones regretful!
Did he leave them deliberately?
Where did he go?
Where are the paintings?
Sold?
Preserved?
Destroyed?
■